অধ্যায় ১১ ঃ মার্ক্সবাদ, বিচ্ছিন্নতা, শ্রেণীসংগ্রাম

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ আৰম্ভণি
১১.৩ মার্ক্সবাদ কি?
১১.৪ বিচ্ছিন্নতা
১১.৫ দ্বান্দিক বস্তুবাদ
১১.৬ শ্রেণী সংগ্রাম
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্রগতি খতিয়ান
১১.১০ আৰ্হি প্রশ্ন

১১.১ শিক্ষণৰ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিব

- মার্ক্সবাদ কি
- মার্ক্সৰ বিচিন্নতা ধাৰণাৰ বিশ্লেষণ কৰা
- দ্বান্দিক বস্তুবাদৰ ধাৰণাটো আলোচনা কৰা
- শ্রেণী সংগ্রামৰ দ্বান্দিক পদ্ধতি আলোচনা কৰা
- সমাজবাদৰ প্রাথমিক ধাৰণা ব্যাখ্যা কৰা

১১.২ আৰম্ভণি

সামাজকি দার্শনিক সমূহক জানিবৰ বাবে বিশেষ ক্ষেত্রত তত্ত্ব সমূহৰ লগতে তেওঁলোকৰ তত্ত্ব সমূহ অধ্যায়ন কৰাটো প্রয়োজন। জার্মান দার্শনিক কার্ল মার্ক্স এজন চিন্তাবিদ যিজনে সামাজিক-অর্থনৈতিক আৰু দার্শনিক তর্ক শাস্ত্রত এক গুৰুত্বপূর্ণ স্থান দখল কৰি আহিছে। তেওঁৰ সামাজিক সোধৰণৰ সিদ্ধান্ত সমূহ যিখিনি তেওঁৰ বিপ্লৱৰ দ্বাৰা আনিছিল সেইখিনি বর্তমান সমাজত আজিও প্রযোজ্য। এই বিশেষ পাঠটিয়ে মার্ক্সৰ বিভিন্ন তত্ত্ব সমূহৰ মহত্ব কি দৰে ঐতিহাসিক বিকাশৰ দ্বাৰা সমাজ এখনক বুজিব পাৰি সেই উদ্দেশ্য আগত ৰাখি পাঠতি ৰচনা কৰা হৈছে।

মার্ক্সৰ জন্ম মে ৫, ১৮১৮ জার্মানিৰ ৰেহনিচ চহৰত। যেতিয়া মার্ক্স বার্লিন বিশ্ববিদ্যালয়ত ছাত্র হিচাপে তেতিয়াই তেওঁ বিখ্যাত দার্শনিক হেগেলৰ দ্বাৰা প্রভাৱান্বিত হৈছিল। তেওঁ অতি

সোনকালে হেগেলিয়ান যুৱক হিচাপে বিখ্যাত হ'ল যি হেগেলৰ সমন্বয় সমূহক তর্ক আৰু বিৰোধিতা কৰে। মার্ক্সে তেওঁৰ তর্ক আৰু বিৰোধিতা কৰে। মার্ক্সে তেওঁৰ ছাত্র জীৱন সম্পন্ন কৰাৰ পিছতে তেওঁ ***Rheinische Zeitung*** নামৰ বুর্জোৱা কাগজখনৰ মূখ্য সম্পাদক হ'ল। মার্ক্সে তেওঁৰ মৌলিক লিখনি সমূহৰ জৰিয়তে এজন প্রমূখ্য মৌলিক বৌধিক হিচাপে পৰিচিত হ'ল। কিন্তু মার্ক্সে যাতে ৰাচিয়াৰ চৰকাৰৰ বিপক্ষে কোনো মতবাদ প্রকাশ নকৰে তাৰ বাবে বাতৰি কাকতখন বাতিল কৰা হ'ল। মার্ক্সে এজন বৌদ্ধিক আৰু উগ্র চিন্তাবিদ হিচাপে প্রচাৰিত হ'ল পেৰিচৰ ১৮৪৩-১৮৪৫ চনত যেতিয়া তেওঁ বার্লিনৰ অনুজ হেগেলিয়ান বন্ধু সকলক লগ পালে। এই সময়ে মার্ক্সক লগ পোৱাত সহায় কৰিলে। তেওঁ এংগেলছৰ জৰিয়তেই শ্রমিক শ্রেণীৰ দুখ সমূহৰ লগত পৰিচিত হ'বলৈ সম্ভৱ হ'ল। মার্ক্স আৰু এংগেলছ দুয়ো একেলগে পুঁজিবাদী সমাজৰ বিপ্লৱৰ লগত জৰিত হ'ল আৰু এখন শ্রেণী বিভাজন সমাজ গঢ়াৰ চেষ্টা চলালে। মার্ক্সে নিজৰ উগ্র ভাবুকক নিজৰ প্রার্থীৰ সৈতে মিলি সমাজখনৰ দুটা শ্রেণীৰ সংঘাটক বুজিবলৈ চেষ্টা কৰিলে। মার্ক্সে কৈছিল, "Struggle, rather than peaceful growth was the engine of progress". এই সংঘাটক বুৰঞ্জীক বস্তুবাদ, বিচ্ছিন্নতাবাদ, শ্রেণী সংঘাত আদিৰ দ্বাৰা বুজাবলৈ চেষ্টা কৰিছে। এই পাঠটিত আমি মার্ক্সৰ সামাজিক অর্থনৈতিক মতবাদ সমূহক আলোচনা কৰিম যাক শ্রেণী সংগ্রাম, বিচ্ছিন্নতা আৰু বিভিন্ন সম্বন্ধ থকা মতবাদৰ দ্বাৰা প্রকাশ কৰিছে। শ্রেণী সংগ্রাম আৰু বিচ্ছিন্নতাবাদে এখন সমাজৰ বিকাশত এটা গুৰুত্ব ভূমিকা পালন মতবাদৰ লগত মিলে যেনে পুঁজিবাদী, ঐতিহাসিক বস্তুবাদ, দ্বান্দিক বস্তুবাদ, সমাজবাদ ইত্যাদি। যেতিয়া মার্ক্সবাদৰ ফালৰ পৰা বুজো তেতিয়া এই সকলো মতবাদ কার্য-কাৰণ শিকলিৰ সম্বন্ধৰ লগত মিলা দেখা যায়। এই শিকলিকে আমি এই পাঠটিত বুজিবলৈ চেষ্টা কৰিম।

১১.৩ মার্ক্সবাদ কি ?

মার্ক্সবাদ হৈছে সামাজিক ৰাজনীতি তথা অর্থনৈতিক তত্ত্ব, যাক জার্মান অর্থনীতিবিদ তথা সমাজ দার্শনিক কার্লমার্ক্সে (১৮১৮-১৮৮৩) আগবঢ়াইছিল। ফ্রেডৰিক এংগেলছ (১৮২৩-৯৫) আৰু মার্ক্সৰ এক বন্ধুত্বসুলভ সম্পর্ক আছিল যিয়ে যিকোনো ধৰণৰ সামাজিক, ৰাজনৈতিক অথবা অর্থনৈতিক তত্ত্বসমূহ উন্নয়ন তথা বিকাশত মার্ক্সবাদৰ ভিতৰত অধ্যয়ন কৰিছিল। কিন্তু মার্ক্সবাদৰ মৃত্যুৰ পিছতহে মার্ক্সবাদ জনপ্রিয় হৈ উঠিছিল। ইয়ে সমগ্র বিশ্বব্যাপী চলি থকা ধাৰণাসমূহ অর্থাৎ দার্শনিক অর্থনৈতিক, ৰাজনৈতিক, সমাজতাত্বিক, বৈজ্ঞানিক আৰু নৈকিত নীতিসমূহক যিবোৰে বৌদ্ধিক গঠনৰ ফালৰ পৰা স্বাধীন সকলোকে একেলগ কৰে। পোনপ্রথমে, উপৰোপীয়সকলৰ মাজত মার্ক্স বাদৰ ধাৰণা প্রচলন আছিল। কিন্তু, পিছলৈ মা আৰু এংগেলছৰ বার্তাসমূহৰ ফলস্বৰূপে গোটেই বিশ্বৰ এই ধাৰণা বিয়পি পৰিছিল। কিন্তু এইটো মনত ৰখা উচিত যে মার্ক্সবাদৰ বিকশিত ধাৰণাত মার্ক্স আৰু এংগেলছৰ চিন্তাধাৰণাতেই সীমাবদ্ধ নহয়। বৰঞ্চ ই সামাজিক চিন্তাধাৰণাসমূহ শক্তিশালী পৰম্পৰা হিচাপে গণ্য কৰে-য'ত প্রচলিত পৰম্পৰাসমূহৰ অত্যাধিক সম্ভাৱনীয়তা গুৰুত্ব দিয়ে।



অগ্রগতি নিৰীক্ষণ ঃ ১

১. মার্ক্সৰ জন্ম কোন চনত হৈছিল ?

উত্তৰঃ.....

২. কোনজন সামাজিক দার্শনিকে মার্ক্সৰ সামাজিক-ৰাজনৈতিক আৰু অর্থনৈতিক মতবাদসমূহৰ উন্নতিৰ ক্ষেত্রত সহায় আগবঢ়াইছিল ?

উত্তৰঃ.....

৩. মার্ক্সবাদৰ সংজ্ঞা দিয়ক।

উত্তৰঃ.....

সময়ৰ সোঁতত মার্ক্সবাদ বিভিন্ন ৰূপ পায়। বৈজ্ঞানিক প্রণালীৰ চিন্তাৰে মা বাদৰ উদ্ভৱ হোৱা সিদ্ধান্তক পৰম্পৰাগত মার্ক্সবাদ বোলা হয়। এই সিদ্ধান্তক সমর্থন কৰা মুখ্য পৃষ্ঠপোষকসকল হ'ল– কার্ল মার্ক্স (১৮১৮-১৮৮৩) এংগেলছ (১৮২০-৯৫), ৰাছিয়ান বিপ্লৱী চিন্তাবিদ ভি. আই. লেনিন (১৮৭০-১৯২৪), পলিশ কার্যকর্তা ৰ'চা লোচেমবার্গ (১৮৭১-১৯৭৬) আৰু চীনা বৈপ্লৱিক চিন্তাবিদ মাঅ' জেজং (১৮৭৩-১৯৭৬) পৰম্পৰাগত মার্ক্সবাদীসকলে এখন শ্রেণীহীন সমাজ গঢ়াত গুৰুত্ব দিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে ব্যক্তিগত সম্পত্তিয়ে সমাজখনক দুটা বিপৰীত বুনিয়াদ শ্রেণীত বিভক্ত কৰে য'ত এক শ্রেণী শোষক আৰু আন শ্রেণী শোষিত কোৱা হয়। শোষক শ্রেণীক পুঁজিবাদী আৰু শোষিত সকলক শ্রমিক শ্রেণী কোৱা হয়।

মার্ক্সে ৰাজনৈতিক অর্থনীতিত নিজৰ চিন্তাধাৰা আগবঢ়াইছিল। নিজকে এজন দার্শনিক হিচাপে স্থানান্তৰিত কৰিছিল। জার্মান দর্শনত বিশ্বৰ আটাইতকৈ বেছি সামগ্রিকতাবাদ তথা বিমূর্তকৰণ দেখা পোৱা বাবে মার্ক্সে দর্শনৰ পৰা আঁতৰি অর্থনৈতিক দিশত মনোনিৱেশ কৰিছিল। তেওঁৰ প্রৱন্ধত তেওঁ উল্লেখ কৰিছিল যে, 'The Philosophers have only interpreted the world, the point however is to change it' তথাপিও মার্ক্সবাদৰ চিন্তাধাৰাত দর্শনৰ প্রভাৱ প্রসিদ্ধ থকা দেখা যায়। মার্ক্সে ১৯ শতিকাৰ পাশ্চাত্য দর্শনৰ জার্মান দার্শনিক জর্জ ডব্লিউ. এফ. হেগেলৰ কিছুমান মূল ধাৰণা অনুসৰণ কৰা দেখা যায়। মার্ক্সে কিছুমান ধাৰণা যেনে ঃ শ্রমিক, সম্পত্তি, বিচ্ছিন্নতা আৰু বস্তুবাদী ধৰাণাসমূহ হেগেলৰ ধাৰণাৰ পৰা আনিছে।

মার্ক্সবাদ পুঁজিবাদী ব্যৱস্থাৰ প্রতিক্রিয়া হিচাপে সৃষ্টি হৈছে যিটো স্বাধীনতাবাদী তত্ত্ব মুক্ত বজাৰ অর্থনীতি দ্বাৰা সৃষ্টি হৈছে। যদিও স্বাধীনতাবাদ ঊর্ধভ হৈছে মানৱ স্বাধীনৰ দর্শন হৈছে যিটো বৈবর্ত্তিক স্বাধীন কৰে সম্পত্তি পৰা যদিও এইটো তত্ত্ব পিছৰ পর্য্যায়ত নয়র্থক গতি লৈছে ঊনৈশ শতিকৰা মাজভাগলৈ পুঁজিবাদী ব্যৱস্থাক উদয় কৰিছিল। স্বাধীনতা কালছোৱাৰ অর্থনিতি, সমাজৰ নিম্ন সম্প্রদায়ৰ লোকৰ বিশেষ মর্যদা আছিল নিজৰ ক্ষমতা পুঁজিবাদী সমাজৰ ব্যক্তিৰ ওপৰত প্রয়োগ কৰাৰ। মার্ক্সে কঠোৰ ভাৱে বিৰোধীতা কৰিছিল সমাজত আৰু ক্রোধৰ উদ্বিগ্নতা

প্রকাশ কৰি যে সমাজৰ নিম্ন শ্রেণীৰ লোকৰ লোকৰ উন্নতি হ'ব তেতিয়া, যেতিয়া বিদ্রোহ কৰি পুঁজিবাদী ব্যৱস্থাক নির্মুল কৰা নহয়। মার্ক্সে তেওঁৰ জীৱনকালত সমস্ত আগ্রহ পুঁজিবাদী ব্যৱস্থাক সমাজতত বিভিন্ন সম্প্রদায়ৰ মানুহৰ মাজত বিভিন্ন দিশত বিচ্ছিন্নতা সৃষ্টি কৰা মতবাদ হিচাপে মানি লৈছিল। বিচ্ছিন্নতাবাদৰ বাহিৰেও মার্ক্সৰ কিছুমান বিশেষ বৈশিষ্ট হ'ল- দ্বান্দ্বিক বস্তুবাদ, ঐতিহাসিক বস্তুবাদ, বিপ্লৱৰ ধাৰণা,শ্রেণী সংঘাট/সংগ্রাম আৰু অতিৰিক্ত মূল্যৰ মতবাদ।

১১.৪. বিচ্ছিন্নতাবাদ

বিচ্ছিন্নতাৰ ধাৰণাটোৰ কোনো সঠিক আৰু স্পষ্ট সংজ্ঞা নাই আৰু চিন্তাৰ বিভিন্ন। শাখাত বিভিন্ন ধৰণেৰে ব্যৱহাৰ কৰা হয়। এই সম্পর্কে সংজ্ঞা হিচাপে ক'ব পাৰি যে বিচ্ছিন্নতাক এই সম্পর্কে সংজ্ঞা হিচাপে ক'ব পাৰি যে বিচ্ছিন্নতাক এটা অৱস্থা বা চর্ত য'ত মানুহে নিজে সৃষ্টি কৰি লোৱা শক্তিসমূহৰ দ্বাৰা, যিবোৰ মানুহে বিচ্ছিন্নতাক এটা অৱস্থা বা চর্ত য'ত মানুহে নিজে সৃষ্টি কৰি লোৱা শক্তিসমূহৰ দ্বাৰা, যিবোৰ মানুহে বিচ্ছিন্ন শক্তিসমূহ হিচাপে মুখামুখি হয়, মানুহে বিচ্ছিন্ন শক্তিসমূহ হিচাপে মুখামুখি হয়, মানুহ বশৱর্তী হৈ পৰে। অভিধানিক অর্থৰ ফালৰ পৰা বিচ্ছিন্নতা হৈছে দূৰকৰণ। চমুকৈ ক'বলৈ হ'লে বিচ্ছিন্নতা এনে এটা ধাৰণা য'ত ভাৱে শক্তিহীন অর্থহীন, পদবিহীন, সামাজিক দূৰত্ব, সাংস্কৃতিক দূৰীকৰণ আৰু আতন সামাজিক দূৰত্ব, সাংস্কৃতিক দূৰীকৰণ আৰু আতন বিচ্ছিন্নকৰণ আদি। দিশসমূহক একেটা অর্থত সামৰি লয়।

মার্ক্সৰ আগৰ লিখনিসমূহৰ বিচ্ছিন্নতাকে মূখ্য ধাৰণা পোৱা যায়। এই ধাৰণাটোৰ এটা দীঘলীয়া আৰু পৃথক বুৰঞ্জী আছে। মানুহে যেতিয়া বিচ্ছিন্নতাক আতৰাই মুক্তি লাভ কৰিছিল, তাৰ পৰৱর্তী পর্য্যায়ত উপনীত হৈছিল তাৰ পৰা জুড' খ্রীষ্টীয়ান নীতিৰ পৰা বিচ্ছিন্নতা ধাৰণাটো অপসাৰিত হৈছিল। কিন্তু ১৮ শতিকাত হোৱা বাণিজ্যিক বিপ্লৱৰ পিছৰ পৰাহে এই মতবাদটোৱে গুৰুত্ব লাভ কৰিছে। এনে পৰিৱেশত বিচ্ছিন্নতাক ব্যক্তিৰ অভিজ্ঞতা নতুবা বস্তুবাদী সংঘাট হিচাপে পৰিচিত হ'ল।



জানি থোৱা ভাল

যদিও বিচ্ছিন্নতাৰ যিকোনো আলোচনাত প্রথমতে মার্ক্সবাদক প্রাধান্য দিয় হয়, তথাপি এইটো সদায় মনত ৰাখিবলগীয়া হয় যে বিচ্ছিন্নতাৰ যিকোনো গভীৰ সমস্যা আলোচনা কৰিবলৈ জার্মান দর্শনৰ পৰাই আৰম্ভ কৰিছিল, যদিও। ১৮ শতিকাৰৰ শেষৰফালে হেগেনৰ দর্শনে নিজে ঠাই লৈছিল। এই ধাৰণাটো হেগেলৰ সামাজিক দর্শনৰ বিভাগত এই বিষয়টোক এটা গুৰুত্বপূর্ণ ধাৰণা হিচাপে জনা যায় যাক আমাৰ অস্তিত্বহীন আৰু মার্ক্সবাদ বিষটো বহলভাৱে আলোচনা কৰা হয়।

মার্ক্সৰ বিচ্ছিন্নতাবাদঃ

হেগেলৰ দ্বান্দ্বিক পদ্ধতিক ভিত্তি কৰি মার্ক্সে বিচ্ছিন্নতাবাদ মতবাদটো তাত্ত্বিক ৰূপত দাঙি ধৰিছে। হেগেলৰ বিচ্ছিন্নতাবাদ মতবাদটো ভাববাদী, কিন্তু মার্ক্সৰ বিচ্ছিন্নতাবাদ মতবাদটো বস্তুবাদী। তেওঁ বস্তুবাদী শ্রমিক জগতৰ বা শ্রমিক শ্রেণীৰ বিচ্ছিন্নতাৰ ওপৰত গুৰুত্ব দিছিল যিটো উৎপাদন সম্পর্ক দ্বাৰা প্রযোজ্য হয়। তেওঁ নিজৰ দর্শনক নিৰপেক্ষ ভাৱে দাঙি ধৰিছিলে। মার্ক্সে তেওঁ পূর্ব ব্যাখ্যা সমূহ স্বীকাৰ কৰি নিজৰ ধাৰণাটোত উৎপাদন পদ্ধতি প্রয়োগ কৰি নিজৰ ধাৰণাটোত উৎপাদন পদ্ধতি প্রয়োগ কৰি ইয়াক এটা তাত্ত্বিক মতবাদ হিচাপে অর্থনীতি আৰু সমাজশাস্ত্র জগতত উৎথাপিত কৰিছে। তেওঁৰ মতবাদসমূহ বহু পৰিমাণে এটা সামাজিক, অর্থনৈতিক মতবাদ আছিল যি পুঁজিবাদী সমাজৰ উৎপাদন সম্পর্কৰ লগত জড়িত থাকে। এই মতবাদটোৰ মতে এখন আধুনিক আৰু পুঁজিবাদী সমাজৰ সামাজিক ব্যৱস্থা এই যে তেওঁলোকে শ্রমিক সকলক তেওঁলোকৰ কার্যৰ অনুসৰি কোনো ধৰণৰ নিয়োগ কৰিব নোৱাৰে। পুঁজিবাদী সকলে শ্রমিক সকলৰ কার্যৰ পৰিমাণ দিঘলীয়া, কষ্টকৰ আৰু সোনকালে কৰাত নিয়োগ কৰে, কিন্তু তেওঁলোকে শ্রমিকসকলক উৎপাদিত কৰা উৎপাদনৰ পৰা লাভ কৰা ব্যয় কৰা বঞ্চিত কৰি ৰাখে। এই পৰিস্থিতিয়ে শ্রমিক শ্রেণীসকলক অর্থমূলক , সৃজনিমূলক অস্তিত্বৰ পৰা বঞ্চিত হয়। তেওঁলোকে নিজৰ জীৱন আৰু মনৰ ওপৰত নিয়ন্ত্রণ হেৰুৱাই আৰু আত্মপ্রাপ্তিৰ সক্ষম হয়। তেওঁলোৰ স্বাধীন বুর্জোৱা সকলোৰ ওপৰত নিয়োগ কৰা হয়।

মার্ক্স ৰ বিচ্ছিন্নতা মতবাদটো ১৮৪৪ চনত "The Economic and philosophical Manuscript" ত প্রকাশ কৰিছিল। এখন পুঁজিবাদী সমাজত ব্যক্তিৰ প্রকৃতি সমূহ বস্তুবাদী চর্তৰ ওপৰত নির্ভৰ কৰে যিয়ে উৎপাদন সমূহ নির্ণয় কৰে। এই প্রক্রিয়াত শ্রমিক সকলে এটা বাধ্য পৰিবেশত নিজৰ কার্য সমূহ চলায় যায় আৰু মজদুৰ সকলে শ্রমিকৰ বাহ্যিক ৰূপ লৈ থাকে। সেয়েহে ই কোনো প্রয়োজনীয় বিভাজনৰ অন্তর্গত নহয়। মজদুৰ সকলে তেওঁলোকৰ মানসিক আৰু শাৰীৰিক শক্তিৰ বাবে কোনো ধৰণৰ কার্য শান্তিপূর্ণ ভাবে কৰিব নোৱাৰে যাৰ ফলত তেওঁলোকৰ শৰীৰ আৰু মনত প্রভাৱ পৰে। সেয়ে তেওঁ নিজৰ কামৰ লগত কোনো ধৰণৰ কার্য শান্তিপূর্ণ ভাবে কৰিব নোৱাৰে যাৰ ফলত তেওঁলোকৰ শৰীৰ আৰু মনত প্রভাৱ কৰে। সেয়ে তেওঁ নিজৰ কামৰ কাম নকৰে তেওঁ নিজকে আমোদজনক ভাবে আৰু যেতিয়া নকৰে তেওঁ ঘৰত নথকাৰ দৰে অনুভৱ কৰে। পুঁজিবাদী সমাম এখনে শ্রমিক সকলে কাম কৰাৰ সুবিধা নিদিয়ে। পুঁজিবাদী সকলে শ্রমিক সকলক কাম কৰায় আৰু তেওঁলোকৰ উৎপাদনৰ পৰা পোৱা কোনো ধৰণৰ ব্যয় নিয়োগ নকৰে। তেওঁলোকে নিজৰ জীৱন আৰু মনৰ ওপৰতে নিয়ন্ত্রণ হেৰুৱাই যাৰ ফলত তেওঁলোক অর্থ মূলক আৰু সৃজনিমূলক অস্তিত্বৰ পৰা বিৰত থাকে। তেওঁলোকৰ অস্তিত্ব বুর্জোৱা সকলৰ ওচৰত বন্দী হৈ থকা দেখা যায়। তেনেকুৱা আত্ম-ত্যাগৰ পৰিস্থিতিত য'ত শ্রম শ্রমিক সকলৰ ওপৰত নির্ভৰশীল থাকে তেনেকুৱা পৰিস্থিতিত তেওঁলোকে খোৱা বোৱাক লৈ নিজকে নিয়োগ কৰে। এইটো নহয় যে বিচ্ছিন্নতাবাদ অকল উৎপাদনৰ ফলৰ ওপৰত প্রকৃত থাকে, বৰঞ্চ সম্পূর্ণ উৎপাদন কার্য বিচ্ছিন্নতাবাদৰ ঘটনাৰ ওপৰত প্রৱল

হৈ থাকে। সেয়ে দেখা যায় হে এটা পুঁজিপতি উৎপাদন প্রক্রিয়াত মানুহৰ মাজৰ সম্পৰ্ক বস্তুৰ মাজৰ সম্পৰ্কলৈ পৰিৱৰ্তন হোৱা দেখা যায় যে মানৱ সম্পৰ্কক প্ৰৱল কৰি তোলে । পৃথিৱীৰ বস্তুসমূহে মানৱ জীৱনক প্ৰৱল কৰে আৰু এই গতিয়ে মানুহক বিচ্ছিন্নতাবাদৰ পৰা পোৱা প্ৰয়োজনীয়তা আৰু ক্ষমতাৰ পৰা বিৰত ৰাখে।

মার্ক্স পুঁজিবাদী সমাজৰ শ্ৰমৰ বিচ্ছিন্নতাক চাৰিটা ভাগত ভাগ কৰিছে । সেয়া হ'ল –

· শ্ৰমিকৰ জাতিগত সত্তাৰ পৰা বিচ্ছিন্নতা

· শ্ৰমিকৰ আৰু তেওঁৰ মাজৰ বিচ্ছিন্নতা। পুঁজিবাদে শ্ৰম হ্ৰাস কৰি প্ৰয়োজনীয়তা লৈ ৰূপান্তৰ কৰে আৰু কার্যৰ স্তৰলৈ লৈ যায়, সেয়েহে শ্ৰমিকে সামাজিক বান্ধোনৰ পৰা বঞ্চিত হয় আৰু সমাজৰ আন মানুহৰ পৰা বিচ্ছিন্ন হৈ থাকে।

· উৎপাদনৰ পৰা শ্ৰমিকৰ বিচ্ছিন্নতা। যিহেতু উৎপাদিত বস্তু সমূহ পুঁজিবাদী শ্ৰেণী নির্ধাৰণ কৰে, সেয়েহে সামগ্ৰী সমূহৰ ওপৰত শ্ৰমিকৰ কোনো কতৃত্ব নাথাকে।

· উৎপাদনৰ সামগ্ৰীক কার্যটোৰ পৰাই বিচ্ছিন্নতা।শ্ৰমিকসকলে নিজৰ ইচ্ছা অনুসৰি কোনো ধৰণৰ কার্যত নিয়োজিত হ'ব নোৱাৰে, যাৰ ফলত তেওঁলোকৰ কার্যই অর্থহীন কার্য হিচাপে থিয় হৈ কম পৰিমানে সন্তুষ্টি লাভ কৰাত সহায় কৰে।

সেয়েহে, বিচ্ছিন্নতাবাদৰ চাৰিটা স্তৰ পোৱা যায়- মানুহৰ উৎপাদনৰ পৰা বিচ্ছিন্নতা, উৎপাদনৰ প্ৰক্রিয়াৰ পৰা বিচ্ছিন্নতা, নিজৰ পৰা বিচ্ছিন্নতা আৰু সহপাঠী গোটৰ পৰা বিচ্ছিন্নতা।

জানি থোৱা ভাল



"প্ৰজাতি" হৈছে ফিউৰবাক্ৰ শব্দৱলী য'ত মার্ক্স ১৮৪৪ ৰ Economic and Philosophical Manuscript ত তেওঁ বিচ্ছিন্নতাবাদক আলোচনা কৰিছিল। কিন্তু অর্থ প্ৰকাশ সমূহ হৈছে মার্ক্সৰ নিজৰ। তেওঁ এই শব্দ এই অর্থত প্ৰকাশ কৰিছে "the universal essence that contains all the specificities of man's successive modes of social relations".

পৃথকভাৱে , মার্ক্সৰ মতে, পুঁজিবাদী সম্পৰ্কৰ দ্বাৰাই বিচ্ছিন্নতাদৰ সৃষ্টি হৈছে। যদিও, মার্ক্স'ৰ বিচ্ছিন্নতাবাদৰ আলোচনা তেওঁৰ গ্ৰন্থ। *Manuscripts* ত উপস্থাপন কৰা হৈছে য'ত ৰাজনৈতিক, অর্থনৈতিক সমালোচনা কৰি, কিন্তু ইয়াৰ পৰিসৰ কেতিয়াও অর্থনৈতিক কার্যকলাপৰ দ্বাৰা সীমিত হৈ থকা নাই। মার্ক্সৰ মতে, পুঁজিবাদী সমাজ ব্যৱস্থাত, বিচ্ছিন্নতাবাদ আমাৰ জীৱনৰ সকলো দিশতে সামৰি লৈছে যেনে আধ্যাত্মিক দিশ, ৰাজনৈতিক আৰু ধার্মিক আৰু মানুহক বিচ্ছিন্ন কৰিছে নিজৰ স্বৰূপৰ পৰা উক্ত সকলো দিশৰ পৰা। সেয়েহে, এইটো উদ্ধৃত কৰা হৈছে যে, মানুহৰ জীৱনৰ কোনো দিশে বিচ্ছিন্নতাবাদৰ পৰা যুক্ত হৈ থাকিব পৰা নাই যেতিয়ালৈকে মানুহ শ্ৰমবিভূষত সমাজত বাস কৰি থাকিব। মার্ক্সে কৈছে যে, বিচ্ছিন্নতাবাদক কর্মক্ষেত্ৰত প্ৰয়োজনতকৈ অধিক গুৰুত্ব দিয়া হৈছে কাৰণে তেওঁৰমতে, মানুহ হৈছে সকলো

মানুহৰ উৰ্ধত যিয়ে হৈছে কৰ্তা।

আমোদজনকভাৱে বিচ্ছিন্নতাবাদৰ ধাৰণাটো মার্ক্সৰ পূৰ্ব লিখিত সংস্কাৰণতহে একত্রিত হৈছিল। যদিও এইটো নুবুজায় যে এই ধাৰণাটোৰ তাৎপর্য লঘু হৈছে মার্ক্সৰ পৰৱর্তী কর্মত, যেনে *Das Kapital (১৮৬৭)* । যদিও প্রত্যক্ষভাৱে আলোচনা কৰা নহয়, তেতিয়া এই ধাৰণাটো মার্ক্সৰ সামাজিক, অর্থনৈতিক বিশ্লেষণৰ প্রাধান্য হৈ থাকিব। ঐতিহাসিক বস্তুবাদ, শ্রেণী সংগ্রাম ধাৰণাসমূহৰে বিচ্ছিন্নতাবাদত এটা মুখ্য ভূমিকা দেখা যাব।যদিও প্রত্যক্ষভাৱে আলোচনা কৰা নহয়, তেতিয়া এই ধাৰণাটো মার্ক্সৰ সামাজিক-অর্থনৈতিক বিশ্লেষণৰ প্রাধান্য হৈ থাকিব। ঐতিহাসিক বস্তুবাদ, শ্রেণীসংগ্রাম ধাৰণাসমূহৰে বিচ্ছিন্নতাবাদক এটা মূখ্য ভূমিকা লোৱা দেখা যায়।



অগ্রগতিৰ নিৰীক্ষণ ঃ ২

৪. ১৯ শতিকাৰ কোন জন পাশ্চাত্য দার্শনিকে কার্ল মার্ক্সক প্রভাৱান্বিত কৰিছিল?

উত্তৰঃ.....

৫. কার্ল মার্ক্সৰ কোনখন গ্রন্থত বিচ্ছিন্নতাবাদৰ সম্পর্কে বিস্তৃতভাৱে আলোচনা কৰা হৈছে?

উত্তৰঃ.....

৬. মার্ক্সৰ বিচ্ছিন্নতাবাদৰ চাৰিটা স্তৰৰ নাম লিখক?

উত্তৰ ঃ.....

১১.৫ দ্বান্দ্বিক বস্তুবাদ

দ্বান্দ্বিক বস্তুবাদৰ মূল শিপা হেগেলৰ দার্শনিক সিদ্ধান্তত পোৱা যায়, তাকে দ্বান্দ্বিক ভাববাদ নামে জনা যায়। হেগেলে সামাজিক পৰিৱর্তনৰ প্রক্রিয়াসমূহক এই পদ্ধতিৰ দ্বাৰা বুজাবৰ চেষ্টা কৰিছে। তেওঁ ধাৰণা অথবা আধ্যাত্মিক চেতনাক এই জগতৰ মূল বিষয় হিচাপে গণ্য কৰে। দ্বান্দ্বিক শব্দটোৱে সেই প্রক্রিয়াকে বুজায় য'ত ধাৰণাসমূহ বৌদ্ধিক বিবাদৰ ফলত গঢ় লৈ উঠে। প্রথমে কোনো এক মন্তব্যৰ বাদ বা ধাৰণাৰ সমর্থন জনোৱা যায় তাকে অনুসৰি বাদ বোলা হয়। এই ধাৰণাটোক আকৌ আন ধাৰণাসমূহে বিৰুদ্ধাচৰণ কৰি কম যে এই ধাৰণাই চৰম সত্যক প্রতিনিধিত্ব নকৰে। ইয়াৰে দ্বিতীয় ধাৰণাক প্রতিবাদ, যাক অনুসৰি বাদৰ নেতিকৰণ বুলি গণ্য কৰা হয়। বাদ-প্রতিবাদৰ সংঘর্ষৰ নিৰাময়ৰ বাবে প্রয়োজন হয় সমন্বয়ৰ। বাদ প্রতিবাদৰ সমন্বয়ৰ ফলত প্রকৃত সত্যত উপনীত হোৱা সম্ভৱ। কিন্তু সমন্বয়ত উপনীত হোৱাৰ পিছতো ইয়াৰ মাজত ভাৱৰ উপস্থিতি অনুভৱ কৰা হ'ব পাৰে। সমন্বয়ৰ ধাৰণা তেতিয়া বাদত পৰিণত হয় আৰু ইয়াৰ বিপৰীত ধাৰণা হৈছে প্রতিবাদ। বাদ-প্রতিবাদৰ সংঘর্ষ নিৰাময়ৰ বাবে প্রয়োজন

হয় সমন্বয়ৰ। এইদৰে প্ৰকৃত সত্য উদ্‌ঘাটন নোহোৱালৈকে এই প্ৰক্ৰিয়া চলিয়েই থাকিব। প্ৰকৃত সত্য উদ্‌ঘাটন হোৱাৰ লগে লগে দ্বান্দ্বিক পদ্ধতিৰো ভাৱমান ঘটিব। হেগেলৰ মতে দ্বান্দ্বিক প্ৰক্ৰিয়াৰ দ্বাৰা সামাজিক অনুষ্ঠানসমূহৰ বিকাশ সাধন হয় আৰু ৰাষ্ট্ৰ তথা ৰাজ্য প্ৰতিষ্ঠানে কৰাত চলি থাকে, হেগেলে এই প্ৰক্ৰিয়াকে সামাজিক বিকাশৰ উচ্চ পৰ্যায় হিচাপে অভিহিত কৰে।

মাৰ্ক্সে হেগেলৰ দ্বান্দ্বিক পদ্ধতিৰ প্ৰয়োগ কৰা দেখা যায়। কিন্তু হেগেলৰ ধাৰণাৰ বিপৰীতে মাৰ্ক্সে পদাৰ্থৰ হে সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিকাশ আৰু সামাজিক বিকাশ মানুহৰ জীৱনৰ বস্তুবাদী চৰ্তৰ ওপৰত নিৰ্ভৰ কৰি আগবাঢ়ে। সেইবাবে মাৰ্ক্সে দ্বান্দ্বিক ভাববাদক দ্বান্দ্বিক বস্তুবাদলৈ সলনি কৰিছিল। দ্বান্দ্বিক বস্তুবাদক দৰ্শন হিচাপে লৈ, মাৰ্ক্সে ব্যৱহাৰিক জীৱনৰ বস্তুবাদৰ প্ৰয়োজন প্ৰয়োগ সম্পৰ্কে আগবঢ়াইছিল য'ত মানুহৰ উৎপাদন সম্পৰ্কৰ দিশটো জড়িত আছিল। ইয়াক পিছলৈ ঐতিহাসিক বস্তুবাদলৈ ৰূপান্তৰিত কৰা হৈছিল। ঐতিহাসিক বস্তুবাদৰ মূল বিষয় হৈছে সমাজৰ বিকাশত অৰ্থনৈতিক সম্পৰ্কসমূহ অৰ্থাৎ, উৎপাদন , জীৱিকা, বিতৰণ ইত্যাদি দিশ সমূহ লগ হৈ নিৰ্ধাৰিত কৰে। সকলো প্ৰকাৰৰ সামাজিক সম্পৰ্ক সমূহ যিকোনো ধৰণৰ ঐতিহাসিক বিকাশৰ স্তৰত অৰ্থনৈতিক চৰ্তসমূহ মধ্যস্থতাকাৰী হিচাপে উৎপাদন প্ৰণালীয়ে নিৰ্ধাৰিত কৰে।

১১.৬ শ্রেণী সংগ্রাম

'Communist Manifesto' (১৮৪৮) ত শ্ৰেণী সংগ্ৰাম সম্পৰ্কে কৈছে যে শ্ৰেণী সংগ্ৰাম শোষিত সকলৰ সংগ্ৰাম, শোষক সকলৰ বিৰুদ্ধে। এই শ্ৰেণী সংগ্ৰামেই সামাজিক বিকাশৰ মূল চালিকা শক্তি। মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰাম ধাৰণাটো বিপ্লৱ ধাৰণাৰ লগত ওতঃপ্ৰোতভাবে জড়িত। এই বিপ্লৱ পুঁজিবাদী সমাজৰ উৎপাদন প্ৰণালীৰ ওপৰত গুৰুত্ব আৰোপ দিয়ে। মাৰ্ক্সৰ মতে বিপ্লৱৰ আৰু ইয়াৰ শুধৰণি দ্বান্দ্বিক প্ৰক্ৰিয়াৰ দ্বাৰা নিৰ্ধাৰিত হয়, যাক দ্বান্দ্বিক বস্তুবাদ বুলিও কোৱা হয়। মাৰ্ক্সৰ অৰ্থনৈতিক ধাৰণাসমূহ উৎপাদন প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰি গঢ় লয়। মাৰ্ক্সৰ মতে সমাজৰ শ্ৰেণীসমূহত ভাগ কৰোতে ধৰ্ম, ভাষা, জাতীয়তা তথা অন্যান্য পৰিচয়তকৈ উৎপাদনমুখী প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰি মানুহক বিভিন্ন গোটত ভাগ কৰা বেছি প্ৰয়োজনীয় পদ্ধতি বুলি উল্লেখ কৰে। উৎপাদনৰ প্ৰক্ৰিয়াসমূহ অট্টালিকাৰ গঠনৰ দৰে যাক 'বুনিয়াদ' বুলি কোৱা হয় যাৰ ওপৰত সমাজৰ অন্যান্য বস্তুবোৰ নিৰ্ভৰ কৰে। আইনসম্পৰ্কীয় ৰাজনৈতিক, ধৰ্মীয় আৰু নৈতিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহক মূল ভৱন কোৱা হয়, যিবোৰ সলনি হোৱা পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি গঢ়ি তোলা হয়। সামাজিক শ্ৰেণীসমূহ নিৰ্ধাৰণ কৰাত ব্যক্তিসকলৰ উৎপাদনমুখী প্ৰক্ৰিয়াত নিয়োগ হোৱা ওপৰত নিৰ্ভৰ কৰে। আৰু তেতিয়াৰ পৰাই উৎপাদনৰ সম্পৰ্কে সময়ে সময়ে সলনি হৈ থাকে তেতিয়াহে শ্ৰেণীসমূহে নতুন দিশসমূহলৈ গতি কৰে। প্ৰচলিত সামাজিক সম্পৰ্ক আৰু উৎপাদনৰ মাজত সংঘাটৰ সৃষ্টি হয় তেতিয়াই অন্য এক বৈপ্লৱিক শ্ৰেণীৰ আৰম্ভ হয় যিয়ে প্ৰচলিত শ্ৰেণীক আঁতৰাই পঠায়। এই পৰিৱৰ্তন এক দ্বান্দ্বিক প্ৰক্ৰিয়াৰ মাজেৰে হয়

আৰু প্ৰতিটো সামাজিক সম্পৰ্কতে ইয়াৰ ভয়াবহতা দেখা যায় য'ত অন্য শ্ৰেণীৰ বীজসমূহ বিনাস কৰি পেলাই ঐতিহাসিক বস্তুবাদে এই প্ৰক্ৰিয়া অনুসৰণ কৰি, এই বুৰঞ্জীয়ে প্ৰাচীন সমাজ আৰু চিৰস্থায়ী সমাজৰ বিনাশ অভিজ্ঞতাক বুজায়। মাৰ্ক্সৰ মতে পুঁজিবাদী সমাজ এখনে বিনাশৰ বীজ সমূহ ৰোপন কৰে য'ত দুটা শ্ৰেণীৰ সৃষ্টি হয়, এক ধনী শ্ৰেণী আৰু দৰিদ্ৰ শ্ৰেণী।

এখন পুঁজিবাদী সমাজত কাৰখানাত পৰস্পৰ বিৰোধীতৰ মূখ্য স্থল হিচাপে দুটা শ্ৰেণীত ভাগ হৈছে– শোষিত, আৰু শোষক, পুঁজিৰ মালিক আৰু শ্ৰমিকৰ মাজত। মাৰ্ক্স আৰু এংগেলছে কৈছে,— "Freeman and slave, patrician and plebeians, lord and serf, guild master and journeyman, in a word, oppressor and oppressed, stood in constant opposition to one another, carried out an uninterrupted, now hidden, now open fight". এখন সমাজত শ্ৰেণীসমূহৰ মাজত আৰম্ভণিৰ পৰাই দুটা শ্ৰেণীৰ মাজত মতভেদ চলি আহিছে। এক শ্ৰেণীৰ মানুহে সমাজৰ আন শ্ৰেণীৰ মানুহক নিজৰ অধীনত ৰাখিব বিচাৰে আৰু ইয়ে গোটেই সমাজ তথা এটা পৰ্য্যায়ৰ মাজত বিৰোধিৰ কোনো সমাধান আনি দিব নোৱাৰে। মাৰ্ক্সৰ মতে এই শ্ৰেণী সংঘাতসমূহেই সকলো সামাজিক অথবা ঐতিহাসিক সফলতাৰ মূল কাৰক।

হেগেলে উনুকিয়াই থৈ যোৱাৰ দৰে আৰু পৰৱৰ্ত্তী সময়ত মাৰ্ক্সে কোৱাৰ দৰে, এখন সমাজত মানুহৰ মাজত দুটা দল গঠন হয়, "আমি" আৰু "আমাৰ", "আমি" এটা মনঃতাত্ত্বিক ধাৰণা হৈছে ই কোনো এটা বাস্তৱিক গোট নহয়। আমি গোটেটোৰ মাজত থকা মানুহৰ কোনো ধৰণৰ ঘনিষ্ঠ সম্পৰ্ক দেখা নাযায়, ইয়াৰ দলৰ সাৱধানতা, চিনিও নাপায়। আনহাতে "আমাৰ" গোটটোৱে এদল দমনকাৰী ব্যক্তিক বুজায় যিয়ে এটা নিৰ্দিষ্ট উদ্দেশ্য আগত ৰাখি দমনকৰ্তাসকলক আঁতৰাই পঠিয়াই। এখন পুঁজিবাদী সমাজত শ্ৰমিকসকলে এই "আমাৰ" অনুভৱেৰে একলগ হৈ এটা বিৰোধী দল গঠন কৰে যেতিয়াই তেওঁলোক সদায়েই বিভাজন আৰু দমনৰ সন্মুখীন হ'ব লগা হয়। যিসকল ব্যক্তি কোনো এক নিৰ্দিষ্ট স্তৰৰ পৰা আহি তেওঁলোকৰ মাজত একেধৰণ আগ্ৰহ আৰু সম্ভাৱনীয়তাসমূহৰ উৎপাদনমুখী সম্পৰ্কৰ আদান-প্ৰদান কৰে। এই সম্ভাৱনীয়তা থকা সম্পৰ্কক 'Class-in-itself' কোৱা হয় যিটো 'Class-for-itself' লৈ পৰিৱৰ্তন হয়।

দলৰ মাজত থকা ব্যক্তিসকলে দমনকৰ্তা সকলৰ বাবে এক ধৰণ সংঘৰ্ষ কৰিব লগা হয়। তেওঁলোকে দলৰ মাজত চেতনা জগাই তুলিবলৈ একেধৰণৰ সামাজিক সমস্যা সম্পৰ্কে আলোচনা কৰে। এই প্ৰক্ৰিয়াৰ দ্বাৰা সামাজিক সমস্যা সম্পৰ্কে আলোচনা কৰে। এই প্ৰক্ৰিয়াৰ দ্বাৰা সমাজিক শ্ৰেণীৰ সৃষ্টি হয় যিসকলে তেওঁলোকৰ প্ৰচলিত আগ্ৰহসমূহক সুৰক্ষা প্ৰদানৰ বাবে নিজৰ দাবী উত্থাপন কৰে। অতি কম সময়ত যেতিয়াই নৈতিক তথা আদৰ্শগতভাৱে অৰ্থনীতি আৰু ৰাজনৈতিক ক্ষেত্ৰৰ পৰা তেওঁলোকক অৱহেলিত কৰা অনুভৱ কৰে তেতিয়াই তেওঁলোকে আত্ম-সচেতন হৈ উঠে। যদিও এনে দলসমূহৰ মাজৰ কিছুমান ব্যক্তিয়ে উৎপাদনৰ প্ৰক্ৰিয়াত একেধৰণৰ প্ৰয়োজন আৰু আকাংক্ষাৰে জীৱনত সমান স্থান লাভ কৰে তথাপিও

সিহঁতক কোনো শ্রেণীত অর্ন্তভুক্ত কৰা নহয়। ইয়াৰ বাবে এটা বিশেষ শ্রেণীৰ সদস্য সকলৰ মাজত শ্রেণী সচেতনবাদটো আটাইতকৈ প্রয়োজনীয় কাৰক। এটা শ্রেণীৰ জন্ম হয় তেতিয়া শ্রেণীৰ সদস্য সকলে সমানতা সমূহ উপভোগ কৰে আৰু একেলগে মিলি দমন শ্রেণীৰ সপেক্ষে বি কৰে। ই এটা আত্ম-সচেতনৰ সৃষ্টি কৰে যি বিপ্লৱৰ জৰিয়তে বুৰঞ্জীক সৃষ্টি কৰে।



অগ্রগতি নিৰীক্ষণ ঃ ৩

৭. প্রজাতি বুলিলে মার্ক্সে কি বুজাইছে?

উত্তৰঃ.....

৮. মার্ক্সৰ মতে কোন কেইটা শ্রেণীয়ে সংগ্রামৰ লগত জড়িত হৈ থাকে?

উত্তৰ ঃ.....

তথাপিও সংঘাত আৰু বিপ্লৱৰ সৃষ্টি কৰা এক মাত্র কাৰক হৈছে অর্থনৈতিক কাৰক। অর্থনৈতিক বঞ্চিত কাৰণৰ লগত প্রচলিত ৰাজনৈতিক বিচাৰধাৰাইও কাৰক হিচাপে থিয় দিয়ে। ই এক যুদ্ধ দমনকাৰী শ্রেণী আৰু দমন শ্রেণীৰ মাজত যি বেলেগ বেলেগ চর্তত বিপ্লৱ সৃষ্টি কৰে। সেয়ে আমি শ্রমিক শ্রেণীক থিয় দিয়া দেখা পাওঁ যোনে বুজোৱা শ্রেণীৰ অর্থনৈতিক আৰু ৰাজনৈতিক ধ্যান বিপক্ষে কাম কৰে। যদিও শ্রমিক শ্রেণীয়ে এটা শক্তিশালী সামান্য চেতনা বিয়পায় পুঁজিবাদী শ্রেণীৰ বিপক্ষে অধিকাৰ সমূহ ৰক্ষিত কৰিবলৈ কিন্তু পুঁজিবাদী অনুভাগ এটা কোনো ধৰণৰ এনেকুৱা সামান্য ধ্যান বিয়পায় নিদিয়ে। পুঁজিবাদী প্রক্রিয়াৰ উৎপাদন আৰু বজাৰৰ পদ্ধতিয়ে উৎপাদনকাৰী সকলক বেলেগ কৰে আৰু ই শ্রেণী সচেতন বদলি আত্ম-ধ্যানৰ সৃষ্টি কৰে। সেয়েহে শ্রমিক শ্রেণী সকলৰ বাবে পুঁজিবাদী সমাজক উলিয়াই পঠালে আৰু সমাজবাদ সৃষ্টি কৰিবলৈ সক্ষম হ'ল। সেয়েহে আমি দেখা পালো যে বিচ্ছিন্নতাবাদ, দ্বান্দিক বস্তুবাদ, শ্রেণী সংগ্রাম আদিৰ দ্বাৰা মার্ক্সে পৰিৱর্তীত সমাজ এখনৰ যি বস্তুবাদী প্রয়োজনীয়তা ভৰি আছে তাৰে এখন প্রকৃত ছবি দাঙি ধৰিছে। মার্ক্সৰ উদ্দেশ্য আছিল এখন শ্রেণী বিভাজন সমাজ গঢ়ৰ য'ত ধনৰ ওপৰত ভিত্তি কৰি কোনো বিভাজন নাথাকে। মার্ক্সৰ মতে "Once the workers become aware that they are alienated from the person of production, the dusk of the capitalist era has set in" the dusk of the espitalist era has set in" মার্ক্সে বিশ্বাস কৰিছিল যে পুঁজিবাদীয়ে সমাজবাদৰ বাষ্টা মুকলি দিয়ে। এটা শোষণ আৰু দমনকাৰী প্রক্রিয়া হিচাপে ই দুটা শ্রেণীৰ সৃষ্টি কৰে-পুঁজিবাদী আৰু শ্রমিক শ্রেণী আৰু পুঁজিপতী সমাজ এখনে দুটা চিকাৰলৈ পৰিৱর্তীত হ'ব-শ্রেণী সংগ্রামৰ জৰিয়তে হোৱা গোটেই জীৱন ধৰি মার্ক্সে শ্রমিক শ্রেণীক শিক্ষিত কৰাৰ চেষ্টা কৰিছিল আৰু পুঁজিপতি সমাজৰ দুখ আৰু বিভাজন সম্পর্কে তেওঁলোকক সচেতন

কৰিছিল। মার্ক্সৰ এই বিচাৰধাৰাই এতিয়াও সমাজ এখনত পোৱা যায় য'ত ব্যয়ৰ ওপৰত নির্ভৰ কৰি বিভাজন কৰা হয়।



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই পাঠটিত মার্ক্সৰ বিচ্ছিন্নতাবাদ আৰু শ্রেণী সংগ্রাম মতবাদ সমূহ আলোচনা কৰিলো। এতিয়া তলৰ কিছুমান কথাৰে পাঠটি চমু কৰো আহক।

- মার্ক্সবাদক সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক মতবাদ হিচাপে বুজা যায় যাক জার্মান অর্থনিতিবিধ আৰু সামাজিক দার্শনিক কার্লমাক্স (১৮১৮-১৮৮৩), আৰু ফ্রেদৰিক এংগেলছে ১৯ শতিকাত প্রৱর্তন কৰিছিল। মার্ক্সবাদক শ্রেণী সংগ্রাম, বিচ্ছিন্নবাদ, বিপ্লৱ, বুৰঞ্জীক বস্তুবাদ, দ্বান্দিক বস্তুবাদ, সামাজিক আৰু এনে কিছুমান মতবাদৰ জৰিয়তে প্রকাশ কৰা হয়।
- মর্ক্সে বহুতো মতবাদ ১৯ শতিকাৰ জার্মান দার্শনিক জর্জ ডব্লিউ. এফ হেগেলৰ পৰা অনুশৰণ কৰিছিল। শ্রম, সম্পত্তি, বিচ্ছিন্নতাবাদ আৰু জীৱিত হৈছে কিছুমান মতবাদ যি মার্ক্সে হেগেলৰ পৰা অনুসৰণ কৰিছিল।
- মার্ক্সৰ মুখ্য উদ্দেশ্য আছিল এখন শ্রেণী বিভাজন সমাজ গঢ়াৰ। নার্ক্সে পুঁজিপতী প্রক্রিয়া হকে থিয় দিছিল আৰু তেওঁ পুঁজিপতী প্রক্রিয়াৰ হকে বিপ্লৱ কৰি শ্রমিক শ্রেণীৰ বিকাশৰ বাবে লাগি গৈছিল।
- বিচ্ছিন্নতাঃ এই মতবাদটো তেওঁৰ পুৰণা লিখনি সমূহত পোৱা যায়। হেগেনৰ দ্বান্দিক পদ্ধতিক কৰিয়েই মার্ক্সে তেওঁৰ বিচ্ছিন্নতা মতবাদটো উলিয়াইছে। তেওঁ শ্রমিক শ্রেণীৰ ওপৰত নির্ভৰ কৰিহে বিচ্ছিন্নতাবাদ মতবাদটো প্রৱর্তন কৰিছে।
- এই মতবাদৰ মতে পুঁজিবাদী সমাজ এখনে শ্রমিকৰ কার্যৰ ওপৰত নির্ভৰ কৰি সুবিধা দিবলৈ অসফল হয়। পুঁজিবাদী সকলে শ্রমিক সকলক দিঘলীয়া সময়ৰ কাৰণে কামত লগাই । কিন্তু তেওঁলোকে শ্রমিক সকলক তাৰ পৰা বিৰত ৰাখে। এই পৰিস্থিতিয়ে শ্রমিক শ্রেণীক অর্থপূর্ণ আৰু ৰচনাত্মক অস্তিত্বৰ পৰা বঞ্চিত কৰে।
- তেওঁলোকে নিজৰ আৰু তেওঁলোক শাসক আৰু আত্মপ্রাপ্তি জীৱনৰ পৰা বিৰত থাকে। সেয়েহে বিচ্ছিন্নতা চাৰি প্রকাৰৰ- মানুহে উৎপাদন কৰা সামগ্রীসমূহৰ পৰা বিচ্ছিন্নতা, উৎপাদন প্রক্রিয়াৰ পৰা বিচ্ছিন্নতা, নিজৰ পৰা বিচ্ছিন্নতা, আৰু দলৰ সহ প্রার্থী পৰা বিচ্ছিন্নতা।
- শ্রেণী সংগ্রাম ঃ মার্ক্সৰ মতে শ্রেণী ধ্যানৰ সংঘাতেই হৈছে সকলো সামাজিক বা ঐতিহাসিক প্রগ্রতিৰ মূল কাৰণ। মানুহৰ উৎপাদন প্রক্রিয়াত থকা অৱদানৰ দ্বাৰাই সামাজিক শ্রেণী সমূহক নির্ণয় কৰা হয়। আৰু যিহেতু উৎপাদন সম্পর্ক নির্ণয় কৰা হয়।

আৰু যিহেতু উৎপাদন সম্পৰ্ক সমূহ সকলো সময়তে পৰিৱৰ্তন হয় ঠিক সেইদৰে শ্রেণী সমূহ বেলেগ বেলেগ দিশত গতি কৰে।

- সামাজিক সম্বন্ধ আৰু উৎপাদন শক্তিৰ মাজত হোৱা সংঘাতে এটা বিপ্লৱকাৰী শ্রেণীৰ জন্ম দিয়ে যি প্রচলিত শ্রেণী সমূহক দলিয়াই পেলায়। এই পৰিৱৰ্তন দ্বান্দিক পদ্ধতিত প্রয়োগ কৰা হয় আৰু প্রত্যেক সামাজিক সম্বন্ধই আন এটা শ্রেণীক উলিয়াই পঠিয়াই। ইয়াৰকে ঐতিহাসিক বস্তুবাদ বোলা হয়।
- পুঁজিবাদী এটা দমনকাৰী আৰু শোষণকাৰী প্রক্রিয়া হিচাপে দুটা শ্রেণীৰ জন্ম দিয়ে— পুঁজিবাদী আৰু শ্রমিক শ্রেণী। এনেকুৱা সমাজত শ্রমিক সকলে "আমি" মনোভাৱেৰে একলগ হয় আৰু এটা দল গঠন কৰে যেতিয়া তেওঁলোকে বিভাজন আৰু দমনৰ সন্মুখীন হ'ব লগা হয়।
- যি এটা বিশেষ শ্রেণীৰ পৰা সম্বান্ধিত হয় তেওঁলোকে বিশেষ ধ্যান আৰু সম্ভাৱনাৰ অংশ গ্রহণ কৰে। এই সম্ভাৱনা সম্পৰ্কক কোৱা হয় Class-in-itself (Klasse an sich) যি Class- for-itself (Klasse-fuer-sich) লৈ পৰিৱৰ্তন হয় যেতিয়া নির্দিষ্ট দল এটাই বিশেষ দমনৰ সন্মুখীন হ'ব লগা হয়।



১১.৮ অধিক জানিবলৈ

Bagchi, Amiya Kumar, and Amita Chatterjee, Marxism. New Delhi : Routledge, 2014.

Coser, Lewis A. Masters of Sociological Though. Second. Jaipur: Rawat Publications, 2017.

Gauba, O.P. Social and Political Philosophy. New Delhi : National Publishing House, 2016.

Marx, Karl, and Fredrick Engels. Economic and philosophic Manuscripts of 1844. Translated by Martin Milligan. U.S.A. : Wilder Publications, 1844/2011

Steiner, Alex. From Alienation to Revolution : A Defense of Marx's Theory of Allienation. May 1997.

www.permanent-revolution.org/essays/aliention_revolution.pdf (accessed May 23, 2013).



১১.৯ অগ্রগতিৰ খতিয়ান

প্রশ্ন নং ১ উত্তৰ ঃ ১৮১৮ চনত

প্রশ্ন নং ২ উত্তৰ ঃ ফ্রেদৰিক এংগেলছ

প্রশ্ন নং ৩ উত্তৰ ঃ মার্ক্সবাদ হৈছে এটা সামাজিক-ৰাজনৈতিক আৰু অর্থনৈতিক মতবাদ যাক জার্মান অর্থনীতিবীদ আৰু সামাজিক দার্শনিক কার্ল মার্ক্সে প্ৰৱর্তন কৰিছিল। ই কিছুমান দার্শনিক, অর্থনৈতিক, ৰাজনৈতিক, সামাজিক, বৈজ্ঞানিক আৰু নৈতিক নীতিৰ দ্বাৰা গঠিত হয় যি স্বাধীন বৌদ্ধিক এটাক গঠন কৰে।

প্রশ্ন নং ৪ উত্তৰ ঃ জর্জ ডব্লিউ. এফ. হেগেল

প্রশ্ন নং ৫ উত্তৰ ঃ Economic and Philosophical Manuscript ১৮৪৪

প্রশ্ন নং ৬ উত্তৰ ঃ মার্ক্সৰ মতে বিচ্ছিন্নতাবাদৰ চাৰিটা স্তৰ আছে- মানুহৰ উৎপাদন কৰা সামগ্রিসমূহৰ পৰা বিচ্ছিনতা, উৎপাদন প্রক্রিয়াৰ পৰা বিচ্ছিন্নতা আৰু নিজৰ গোটৰ সহপ্রার্থী সকলৰ পৰা বিচ্ছিন্নতা। এই চাৰি প্রকাৰৰ বিচ্ছিন্নতাক তলত উল্লেখ কৰা হ'ল–

- শ্রমিকৰ জাতিগত সত্তাৰ পৰা বিচ্ছিন্নতা
- শ্রমিকৰ আৰু তেওঁৰ মাজৰ বিচ্ছিন্নতা। পুঁজিবাদে শ্রম হ্রাস কৰি প্রয়োজনীয়তা লৈ ৰূপান্তৰ কৰে আৰু কার্যৰ স্তৰলৈ লৈ যায়, সেয়েহে শ্রমিকে সামাজিক বান্ধোনৰ পৰা বঞ্চিত হয় আৰু সমাজৰ আন মানুহৰ পৰা বিচ্ছিন্ন হৈ থাকে।
- উৎপাদনৰ পৰা শ্রমিকৰ বিচ্ছিন্নতা। যিহেতু উৎপাদিত বস্তু সমূহ পুঁজিবাদী শ্রেণী নির্ধাৰণ কৰে, সেয়েহে সামগ্রী সমূহৰ ওপৰত শ্রমিকৰ কোনো কতৃত্ব নাথাকে।
- উৎপাদনৰ সামগ্রীক কার্যটোৰ পৰাই বিচ্ছিন্নতা। শ্রমিকসকলে নিজৰ ইচ্ছা অনুসৰি কোনো ধৰণৰ কার্যত নিয়োজিত হ'ব নোৱাৰে, যাৰ ফলত তেওঁলোকৰ কার্যই অর্থহীন কার্য হিচাপে থিয় হৈ কম পৰিমানে সন্তুষ্টি লাভ কৰাত সহায় কৰে।

প্রশ্ন নং ৭ উত্তৰ ঃ মার্ক্সৰ মতে প্রজাতি হৈছে "the universal essence that contains all the specificities of man's successive modes of social relations".

প্রশ্ন নং ৮ উত্তৰ ঃ মার্ক্সৰ মতে দুটা শ্রেণীৰ মাজত সদায় এটা সংঘর্ষ বা সংঘাট চলি থাকে। সেই দুটা শ্রেণী হ'ল শোষণ আৰু শোষিত, মালিক আৰু শ্রমিকৰ মাজত । এখন পুঁজিবাদী সমাজত য'ত উৎপাদন সম্পর্কে দমন কৰি ৰাখে তেনেকুৱা সমাজত এই দুই সংঘর্ষিত শ্রেণী হ'ল- শ্রমিক শ্রেণী আৰু পুঁজিবাদী শ্রেণী।



১১.১০ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন ঃ

১। মাৰ্ক্স হেগেলৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল/নহৈছিল। (শুদ্ধ উত্তৰটো বাচি উলিওৱাক)

২। মাৰ্ক্সৰ মতে সামাজিক উন্নতিৰ বুৰঞ্জী হৈছে এটা শান্তিপূৰ্ণ ব্যৱস্থা (শুদ্ধ / অশুদ্ধ)

৩। কাৰ্ল মাৰ্ক্স এজন জাৰ্মান / ফ্ৰান্স দাৰ্শনিক (শুদ্ধ উত্তৰটো বাচি উলিওৱাক)

৪। "Class-in-itself" এটা আমি / আমাৰ দল (শুদ্ধ উত্তৰটো বাচি উলিওৱা)

৫। মাৰ্ক্স আৰু এংগেলছে লিখা দুখন কিতাপৰ নাম লিখক

খ) চমু প্ৰশ্ন ঃ (১৫০-২০০ শব্দৰ ভিতৰত)

১। শ্ৰেণী সংগ্ৰামত বিচ্ছিন্নতাবাদৰ ভূমিকা বিশ্লেষণ কৰক।

২। 'অন্তঃ গঠন' আৰু 'বৰ্হি গঠন' বুলিলে কি বুজে?

৩। মাৰ্ক্সৰ মতে আমি আৰু আমাৰ দল বুলিলে কি বুজে?

৪। মাৰ্ক্সৰ মতে ঐতিহাসিক বস্তুবাদ বুলিলে কি বুজে? মাৰ্ক্সে কেনে ধৰণেৰে হেগেলৰ দ্বান্দ্বিক সম্পৰ্কিত কৰিছে? আলোচনা কৰক?

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৫০০ শব্দৰ ভিতৰত)

১। "The history of hitherts existing all societies is the history of class-struggle." মাৰ্ক্স আৰু এংগেলছৰ ফালৰ পৰা আলোচনা কৰক

২। মাৰ্ক্সৰ মতে সামাজিত বিচ্ছিন্নতাবাদক কোনো এটা স্তৰক পৰিত্ৰাণ কৰিব পাৰেনে? সমালোচনা কৰক?

৩। বৰ্তমান সামাজিক-অৰ্থনৈতিক পৰিৱেশত মাৰ্ক্সবাদৰ প্ৰাসঙ্গিকতা সম্পৰ্কে বিশ্লেষণ কৰক?

৪। মাৰ্ক্স আৰু এংগেলছে আগবঢ়োৱা বিচ্ছিন্নতাবাদৰ সম্পৰ্কে আলোচনা কৰক?

*****